# আজি কানৈ

# কলেজত নাকৰ দল

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় নাকৰ তিনিজনীয়া এটা দলে ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰিদৰ্শন কৰিব। উল্লেখ্য যে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে মহাবিদ্যালয়সমূহে নাকৰ দ্বাৰা মূল্যায়ন কৰায়। ইয়াৰ অংশ হিচাপে তৃতীয়বাৰৰ বাবে কানৈ মহাবিদ্যালয়ক নাকৰ পৰিদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। দুদিনীয়া পৰিদৰ্শনৰ এই সময়ছোৱাত নাকৰ দলটোৱে মহাবিদ্যালয়খনৰ বিগত পাঁচ বছৰৰ শিক্ষাৰ অগ্ৰগতি, আন্তঃগাঁথনি, প্ৰযুক্তি, প্ৰতিভা বিকাশ, গৱেষণাকে ধৰি সকলো দিশ পৰীক্ষা কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে, নাকৰ দলটোৱে পৰিদৰ্শন কৰিব লগা সকলো দিশ সাজু কৰি ৰখাৰ লগতে বিগত পাঁচ বছৰৰ অগ্ৰগতি সম্পৰ্কেও নাকৰ দলটোক অৱগত কৰিব। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মাই জনায় যে শৈক্ষিক-প্ৰশাসনিক-আন্তঃগাঁথনিগত তথা অনাশৈক্ষিক বিভিন্ন দিশত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদে দেশৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহ পৰিদৰ্শন কৰে।